**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখাকে ধৰি বহুকেইটা প্ৰকল্প উদ্বোধন। উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ইতিহাস আৰু কলা-সংস্কৃতি বিশ্বৰ ভিতৰতে অনন্য বুলি গৃহমন্ত্ৰীৰ মন্তব্য।

২। ৰাজ্যৰ উন্নয়নৰ ধাৰাবাহিকতা অটুট ৰখাৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ পঞ্চায়ত প্ৰতিনিধিসকলক গৃহমন্ত্ৰীৰ আহ্বান।

৩। অহা ১ জানুৱাৰীৰ পৰা পঞ্চায়ত প্ৰতিনিধি আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন। *আৰু*

৫। এছিয়া কাপ হকী প্ৰতিযোগিতাত চীনৰ বিৰুদ্ধে ভাৰতৰ ৪-৩ গলত জয়লাভ।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ইতিহাস, ভাষা, কলা, সংগীত, সাজ-পাৰ, খাদ্যাভাষ আৰু প্ৰাকৃতিক সৌন্দৰ্যই এই খণ্ডক বিশ্বৰ ভিতৰতে অনন্য কৰি তুলিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি দিয়া ভাষণত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বৰ ভিতৰতে পুৰাতন পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ। মহাৰাজ পৃথুৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনলৈকে, বীৰ চিলাৰায়ৰ পৰা আৰম্ভ কৰি সেনা বাহিনীত যোগ দিয়া জোৱানলৈকে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া উত্তৰ-পূবৰ বীৰ পুৰুষসকলৰ ত্যাগে দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰী গণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশৰ মাজত নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱনৰ বাবে ৰাজ্য চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে।

***(বাইট ঃ অমিত শ্বাহ)***

ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰহ মৰ্মে দেশৰ দ্বিতীয়টো ফৰেণচিক গৱেষণাগাৰ

অসমত স্থাপন হোৱাটো অতি গৌৰৱৰ বিষয়। শ্ৰী শ্বাহে কয়, যে দেশৰ জনসাধাৰণৰ বাবে চাইবাৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ২০১৯ চনত দিল্লীত দেশৰ প্ৰথমটো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেন্সিক গৱেষণাগাৰ স্থাপন কৰা হৈছিল। উল্লেখযোগ্য যে, ৪৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ফৰেণচিক গৱেষণাগাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৃথক আবাসীক পৰিষৰ আৰু আই টি বি পিৰ সোণাপুৰত থকা ৩৩ সংখ্যক বেটেলিয়নৰ ৩৬০ গৰাকী জোৱানৰ বেৰেক বিষয়াসকলৰ মেচ আৰু ১০ খন বিচনাযুক্ত চিকিৎসালয় ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। তেওঁ লগতে শ্ৰীকোনাত আছাম ৰাইফলৰ মহাপৰিদৰ্শকৰ মুখ্য কাৰ্যালয়, শিলচৰৰ খনিজ গোট আৰু যোৰহাটৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত প্ৰশাসনিক আৰু আবাসীক চৌহদৰ আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছতে শ্ৰী শ্বাহে খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লয়। শ্ৰী শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উন্নয়নমূলক কামকাজৰ প্ৰবাহ অসমৰ প্ৰান্তে প্ৰান্তে বিয়পাই দিয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শলাগ লয়। তেওঁ এই উন্নয়নৰ ধাৰাবাহিকতা অটুট ৰখাৰ বাবে সকলো পঞ্চায়ত প্ৰতিনিধিকে নিষ্ঠাৰে জনকল্যাণ সাধনৰ প্ৰয়াস অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী শ্বাহে এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। এই সন্মিলনতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১ জানুৱাৰীৰ পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে। তেওঁ লগতে বৃন্দাবনী বস্ত্ৰ অসমলৈ লৈ অনাৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

*(বাইট ঃ ড০ শৰ্মা)*

গৃহমন্ত্ৰীগৰাকীয়ে খানাপাৰাত নিৰ্মাণৰত অৱস্থাত থকা জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহৰ স্থানো পৰিদৰ্শন কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে ইয়াৰ পাছত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠানত অংশ লৈ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু অতুল বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অগ্ৰণী নেতৃত্বৰে ৰাষ্ট্ৰৰ হকে সেৱা আগবঢ়োৱা প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ কৰ্মৰাজীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

*(বাইট ঃ ড০ শৰ্মা)*

০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। অসমতো আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আয়োজন কৰা হৈছে।

হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হৈছে।

ধেমাজি জিলাত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি আজি দহ কিলোমিটাৰ মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া  দিৱসৰ কাৰ্যসূচীত মেজৰ ধ্যানচন্দৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেওঁৰ খেলুৱৈ জীৱনৰ ওপৰত আলোকপাত কৰা হয়।

শোণিতপুৰ জিলাতো ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে জ্যেষ্ঠ নাগৰিকৰ মাজত ৱাকাথন, যোগাভ্যাস আৰু ডবা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপনৰ দিহা কৰা হৈছে।

দৰং জিলাত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে আজি মঙলদৈত  বিভিন্ন পৰম্পৰাগত খেলৰ লগতে ডবা, কাবাডী, ফুটবল আৰু প্ৰবীন খেলুৱৈৰ মাজত ভলীবল খেলো অনুষ্ঠিত হয়।

গোৱালপাৰা জিলা প্ৰশাসনেও ৩ দিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰিছে।

বৰপেটা জিলাৰ ৰামৰায় ষ্টেডিয়ামত  ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। পশ্চিম কাৰ্বি আংলঙৰ হামৰেনস্থিত ৰংবং ৰংহাং খেলপথাৰতো ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়।

উল্লেখযোগ্য যে এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে – **শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি**।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত দ্বিতীয় নিৰু হাজৰিকা সোঁৱৰণি তৰ্ক প্ৰতিযোগিতাত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰথম শ্ৰেষ্ঠ দল, এন ই এফ ল' কলেজ দ্বিতীয় শ্ৰেষ্ঠ দল আৰু গুৱাহাটী বিশ্ববিদ্যালয় তৃতীয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হৈছে। এন ই এফ কলেজৰ কুলদীপ ভট্টাচাৰ্য শ্ৰেষ্ঠ তাৰ্কিকৰ খিতাপ অৰ্জন কৰিছে। একেদৰে আই আই টি গুৱাহাটীৰ আৰু মায়ম থামে - জুৰিৰ বিশেষ বঁটা লাভ কৰিছে। অধ্যাপক অখিল ৰঞ্জন দত্ত অধ্যক্ষ হিচাপে থকা তৰ্ক প্ৰতিযোগিতাখনত জ্যেষ্ঠ অধিবক্তা উমি ডেকা বৰুৱা, আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰ  আৰু টিংকু চৌধুৰী বিচাৰক হিচাপে থাকে।

০০০০

গুৱাহাটী পৌৰ নিগমে চিকুণ গুৱাহাটী, মোৰ গুৱাহাটী বিষয়ক এখন শুভংকৰ আৰু ল'গ' ডিজাইন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি এই প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগীসকলে অহা ৫ চেপ্তেম্বৰলৈকে অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবলৈ আগ্ৰহীসকলে ইভেণ্টছ্ ডট জি এম চি অনলাইন ডট ইনত লগইন কৰিব পাৰে।

০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা

হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০

তামুলপুৰ জিলাৰ বগামাটি আৰু তাৰ নিকটৱৰ্তী বনভোজস্থলীসমূহত দ্ৰুত আৰু অসাৱধানতাৰে বাহন চলাচল কৰাৰ ফলত পথ দুৰ্ঘটনা বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্তই কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। তামুলপুৰ জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি কুমাৰিকাটা বনাঞ্চলৰ অন্তৰ্গত বগামাটি  বনভোজস্থলী আৰু তামুলপুৰ তথা গোৰেশ্বৰ ৰাজহ চক্ৰ আৰু আৰক্ষী থানাৰ অধীনৰ বনভোজস্থলীসমূহত প্ৰযোজ্য হোৱাকৈ এই নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশনা মৰ্মে বনভোজ দলসমূহে পুৱা ৯ বজাৰ পূৰ্বে কোনো বনভোজস্থলীত প্ৰৱেশ কৰিব নোৱাৰিব। একেদৰে আবেলি ৪ বজাৰ ভিতৰত সকলো বনভোজ দলে বনভোজস্থলী খালী কৰিব লাগিব। বনভোজস্থলীত প্লাষ্টিকৰ সামগ্ৰী আৰু চাউণ্ড ছিষ্টেমৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। এই আদেশ পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে বলবৎ থাকিব। নিয়ম উলংঘাকাৰীক প্ৰযোজ্য আইন অনুসৰি শাস্তি বিহা হ'ব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০

এচিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে আজি নিজৰ প্ৰথমখন খেলত চীনক  ৪-৩ গ'লত পৰাস্ত কৰে। ভাৰতীয় দলৰ অধিনায়ক হৰমন প্ৰীত সিঙৰ হেট্ৰিক গ'ল আৰু যুগৰাজ সিঙৰ এটা গ'লেৰে  খেলখনত ভাৰতে আধিপত্য বিস্তাৰ কৰে। চীনৰ হৈ দ্যু চিহাওৱে একমাত্ৰ গ'লটো কৰে। উল্লেখযোগ্য যে অহা বছৰ বেলজিয়ামত হবলগীয়া হকী বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিবলৈ এই প্ৰতিযোগিতাখনেই হৈছে ভাৰতৰ বাবে অন্তিমটো সুযোগ। হকী এচিয়া কাপত পুল -এত ভাৰত আৰু চীনৰ সৈতে জাপান আৰু কাজাখস্তানক স্থান দিয়া হৈছে। ইপিনে, পুল-বিত আছে দক্ষিণ কোৰিয়া, মালয়েছিয়া, বাংলাদেশ আৰু চাইনিজ টাইপেই। প্ৰতিটো পুলৰে শীৰ্ষ দুটা দলে ছেমিফাইনেললৈ আগবাঢ়িব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৭ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

০০০০

মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক, দৰিয়া গাঁৱৰ বিশিষ্ট সমাজ সংগঠক প্ৰাক্তন ক্ৰীড়াবিদ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। ১৯৭২ চনৰ পৰা ২০১১ চনলৈকে তেখেতে মাজুলী মহাবিদ্যালয়ত সেৱা আগবঢ়াইছিল। তেখেতৰ মৃত্যুত মাজুলীৰ বহু দল, সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ